# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-12-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::**

ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি ৰাজ্যৰ বিভিন্ন স্থানত ছহিদ দিৱস পালন কৰা হয়।

**শোণিতপুৰ** জিলাৰ জামুগুৰিহাটত আজি ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত ছহিদ দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ১৫৯টা ছহিদ পৰিয়ালক সম্বৰ্ধনা জনায়। মুখ্যমন্ত্ৰীয়ে অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে আত্মবলিদান দিয়া অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ জাতীয় জীৱনৰ জটিল সন্ধিক্ষণত সূত্ৰপাত হোৱা অসম আন্দোলনে দীৰ্ঘকাল ধৰি ৰাজ্যৰ ইতিহাসত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই এই আন্দোলনৰ ছহিদসকলৰ আদৰ্শৰে সকলোকে আগুৱাই যোৱাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে অসমক আত্মনিৰ্ভৰশীল হৈ উঠাত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। আনহাতে বিগত বছৰসমূহত বিজেপি চৰকাৰে ৰাজ্যত খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাকে ধৰি বিভিন্ন ক্ষেত্ৰত বিকাশৰ ধাৰা অব্যাহত ৰখাৰ দিশতো মুখ্যমন্ত্ৰীয়ে আলোকপাত কৰে।

অনুষ্ঠানত অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী আৰু সাংসদে অংশগ্ৰহণ কৰে।

অসম আন্দোলনৰ অন্যতম উদ্যোক্তা সদৌ অসম ছাত্ৰ সন্থাই আজি **গোৱালপাৰা** জিলাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ছহিদ দিৱস পালন কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা এই কাৰ্যসূচীৰ আৰম্ভণিতে ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। তদুপৰি অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। কাৰ্যসূচীৰ লগত সংগতি ৰাখি সৰ্বধৰ্মীয় প্ৰাৰ্থনাও অনুষ্ঠিত হয়। অনুষ্ঠানত সন্ধিয়ালৈ আমন্ত্ৰিত শিল্পীৰ দ্বাৰা ভাওনা প্ৰদৰ্শন কৰা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত ঢেকীয়াজুলিৰ ৰাজহুৱা পুথিভঁৰাল প্ৰাংগণত, বৰপেটা ৰোডত, গুৱাহাটী বিশ্ববিদ্যালয় আইন ছাত্ৰ সন্থাৰ সহযোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত আজি ছহিদ দিৱস পালন কৰা হয়।

ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মগাঁও বৰপেটাৰ উজান বৰগুৰিত আজি অসম গণ পৰিষদ দলে আয়োজন কৰা ছহিদ দিৱসৰ কাৰ্যসূচীত দলটোৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে আৰু ছহিদগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰে।

আনহাতে কেন্দ্ৰীয় মন্ত্ৰী তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত ছহিদ দিৱস উপলক্ষে অসমীয়াৰ পৰিচয়, সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ হকে আত্মবলিদান দিয়া বীৰ ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা তৰ্পণ কৰে।

০০০০

নৱ নিযুক্ত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয়, যে ৰাজ্য চৰকাৰে কামাখ্যা মন্দিৰৰ পৰ্যটনৰ প্ৰসাৰৰ দিশটোক অগ্ৰাধিকাৰ দিছে। প্ৰতি বছৰে দেশৰ বিভিন্ন প্ৰান্তৰ অগণন ভক্তই কামাখ্যা মন্দিৰ দৰ্শন কৰিবলৈ আহে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কামাখ্যাৰ উন্নয়নৰ বাবে যৎপৰোনাস্তি প্ৰয়াস চলোৱা হ'ব বুলি ঘোষণা কৰে। শেহতীয়াকৈ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰী সভাৰ সম্প্ৰসাৰণত পৰ্যটন বিভাগৰ দায়িত্ব লাভ কৰা শ্ৰীদাসে আজি ঐতিহাসিক কামাখ্যা মন্দিৰ দৰ্শন কৰি দেৱীৰ আশিস লয়। তেওঁ  কামাখ্যাৰ পৰ্যটনৰ প্ৰসাৰ সন্দৰ্ভত জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। বাৰাণসীত থকা কাশী বিশ্বনাথ মন্দিৰ কৰিড'ৰৰ দৰেই অসম চৰকাৰে কামাখ্যা মন্দিৰৰ বাবেও এটা কৰিড'ৰ নিৰ্মাণ কৰিবলৈ আগবাঢ়িছে বুলি মন্ত্ৰী শ্ৰীদাসে প্ৰকাশ কৰে।

০০০০

দৰঙৰ জিলা দণ্ডাধীশে ছিপাঝাৰ সম জিলাৰ অন্তৰ্গত বিভিন্ন স্থানত কেতবোৰ লোকে বেআইনীভাৱে মাটি কটা ৰোধ কৰাৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ এটা টাস্কফোৰ্চ গঠন কৰি দিছে।  ইতিমধ্যে জিলা দণ্ডাধীশে জিলাখনৰ মাজেৰে বৈ যোৱা সকলো নদীৰ মথাউৰিৰ দুয়োকাষে অকৰ্তৃত্বশীলভাৱে মাটি খননত নিষেধাজ্ঞা আৰোপ কৰিছে আৰু এই নিৰ্দেশনা উলংঘনৰ  বাবে শাস্তিৰ সন্মুখীন হব বুলি সকিয়াই দিছে। এই সম্পৰ্কত জনসাধাৰণৰ কিবা অভিযোগ বা তথ্য থাকিলে ৬০০০ ১৩২১ ৪১ অথবা ৮১৩৩ ৯২৪৯ ৯৬ ফোন নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০

বাক্সা জিলাৰ কমলাবাৰী ষ্টেডিয়ামত আজি মানাহ বিধানসভা সমষ্টি ভিত্তিক ৩ দিনীয়াকৈ খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ আৰম্ভ কৰা হয়। বিধায়ক ফনীধৰ তালুকদাৰে উদ্বোধন কৰা এই অনুষ্ঠানত বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৱাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০

মঙলদৈৰ বৰনগাওঁ নিৱাসী সৰবৰহী মহিলা ধৰ্মেশ্বৰী দেৱীৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৩ বছৰ। প্ৰয়াত দেৱী স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল।

০০০০

সমাপ্ত